# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 31-07-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***

**Headlines**

**------------------**

oooooooo

১।   লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা জ্যোশিতা দাসৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্ত চি বি আইলৈ হস্তান্তৰ কৰাত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

২।   উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত তৃতীয় দিনাও উচ্ছেদ অব্যাহত।

৩।   অসহ্য গৰমৰ বাবে গ্ৰীষ্ম বন্ধৰ পাছত বিদ্যালয়ৰ পাঠদানৰ নতুন সময়সূচী।

৪।   কোকৰাঝাৰত আজি বি টি চি বিধায়িনী সভাৰ এদিনীয়া বিশেষ অধিবেশন। **আৰু**

৫।   অভেলৰ পঞ্চম ক্ৰিকেট টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভোজন বিৰতিলৈকে ভাৰতৰ দুই উইকেটৰ বিনিময়ত ৭২ ৰাণ সংগ্ৰহ। বৰষুণৰ বাবে খেল সাময়িকভাৱে স্থগিত।

oooooooo

বঙাইগাঁও সংমণ্ডলৰ লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোশীতা দাসৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্ত চি বি আইলৈ হস্তান্তৰ কৰাত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই ঘটনাৰ তদন্তৰ বাবে এটা সাতজনীয়া বিশেষ তদন্তকাৰী গোট গঠন কৰা হৈছিল আৰু ঘটনাস্থলী ভিডিঅত আবদ্ধ কৰাৰ লগতে ফৰেনচিক দল আৰু অপৰাধ অনুসন্ধানকাৰী দলে পৰীক্ষা কৰিছিল।  .......... বাইট...........

মন্ত্ৰীসভাই আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি অসমত থকা কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ অনুষ্ঠানসমূহত ২০২১ চনৰ ১ এপ্ৰিলৰ পৰা ভৰ্তি হোৱা দিব্যাংগ গৱেষকসকলকে ধৰি পূৰ্ণকালীন গৱেষক ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিত অন্তৰ্ভুক্ত কৰাত অনুমোদন জনায়। ইয়াৰ জৰিয়তে প্ৰায় ১০ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হব বুলি আশা কৰা হৈছে। বদৰপুৰবাসীক নলযোগে খোৱাপানী যোগানৰ বাবে মন্ত্ৰীসভাই ৪৯ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বদৰপুৰ নগৰ পানী আঁচনিত আজি অনুমোদন জনায়। ড০ শৰ্মাই কয়, যে এই আঁচনিৰ জৰিয়তে উন্নত জল ব্যৱস্থাপনা আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি বদৰপুৰ চহৰৰ প্ৰতিটো পৰিয়ালকে

২৪ ঘণ্টাই খোৱাপানী যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইপিনে জল মিত্ৰসকলৰ বিয়োগৰ পাছত তেওঁলোকৰ পৰিয়ালক সকাহ দিয়াৰ বাবে মৃত জল মিত্ৰজনৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাই আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনতো ভালেমান সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি ৮ খন জিলাৰ ২৯৯ খন আবেদন বাৰ্ষিক পট্টাৰ পৰা ম্যাদী পট্টালৈ ৰূপান্তৰ, ১০টা আন্তঃগাঁথনিৰ বাবে ভূমি আৱণ্টন, ডিব্ৰুগড়ত ১১৮ খন আবেদনৰ ক্ষেত্ৰত ভূমিৰ পুনৰ শ্ৰেণী বিভাজন, ৭ খন জিলাৰ ১৯০টা অব্যক্তিগত ন্যায়িক অনুষ্ঠানলৈ ভূমি হস্তান্তৰ আৰু ধেমাজিত এহেজাৰ ৭৪২টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমি নিষ্পত্তিত অনুমোদন জনোৱা হয়। তদুপৰি ২০১১ৰ পূৰ্বে তিৰাপ জনজাতি অঞ্চলত ভূমিৰ অধিকাৰ থকা আহোম, কোচ-ৰাজবংশী, মৰাণ, মটক, চুতীয়া, গোৰ্খা, চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ লোকসকলক সংৰক্ষিত লোকৰ শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০০০

বঙাইগাঁৱৰ লোকনিৰ্মাণ বিভাগত কৰ্মৰত সহকাৰী অভিযন্তা জ্যোশিতা দাসৰ আত্মহননৰ ঘটনাৰ তদন্তৰ দায়িত্ব চি বি আইক দিয়াৰ বাবে ৰাজ্য চৰকাৰে মন্ত্ৰীসভাত লোৱা সিদ্ধান্তক বঙাইগাঁৱৰ নাগৰিক সমাজে আদৰণি জনাইছে। যোৱা ২২ জুলাইত কনিষ্ঠ অভিযন্তাগৰাকীৰ মৃতদেহ বঙাইগাঁৱৰ ভাৰাঘৰৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছিল। মৃতদেহৰ লগত উদ্ধাৰ হোৱা এটা হাতেলিখা টোকাত মৃত অভিযন্তাগৰাকীয়ে লোকনিৰ্মাণ বিভাগৰ আমিনুল ইছলাম আৰু দিনেশ শৰ্মা মেধি নামৰ দুগৰাকী জ্যেষ্ঠ অভিযন্তাই মানসিক নিৰ্যাতন চলোৱাৰ বিষয়ে উল্লেখ কৰিছিল। ইয়াৰ লগতে এখন কনচাল্টেন্সি ফাৰ্মৰ অভিযন্তা দেৱজিত্ শৰ্মা আৰু বঙাইগাঁৱৰ বৰ্ষণগাঁৱত নিৰ্মীয়মান ষ্টেডিয়ামৰ ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ নামো টোকাটোত উল্লেখ আছিল। মৃত অভিযন্তাগৰাকীয়ে ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া বৰ্ষণগাঁৱৰ ষ্টেডিয়ামৰ কাম সম্পূৰ্ণ নকৰাকৈ ঠিকাদাৰ পাঠকৰ বিল মুকলি কৰিবলৈ জ্যেষ্ঠ অভিযন্তা আমিনুল ইছলাম আৰু দিনেশ শৰ্মা মেধিয়ে মানসিক হেঁচা প্ৰদান কৰাৰ ভিত্তিতে আত্মহত্যা কৰিবলগীয়া হল বুলি টোকাটোত উল্লেখ কৰিছিল। জ্যোশিতা দাসৰ টোকা অনুযায়ী বঙাইগাঁও আৰক্ষীয়ে লোকনিৰ্মাণ বিভাগৰ জ্যেষ্ঠ অভিযন্তা দুজনৰ লগতে অভিযন্তা দেৱজিত শৰ্মাক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰে। আদালতে তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। বঙাইগাঁও আৰক্ষীয়ে  তদন্ত ক্ষীপ্ৰতৰ কৰিবলৈ এছ আই টি গঠন কৰি ঠিকাদাৰ ৰুদ্ৰ পাঠকৰ অভয়াপুৰীৰ বাসভৱনত তালাচী চলাই নথিপত্ৰ জব্দ কৰে। আজি ঘটনাৰ তদন্ত নিৰপেক্ষ আৰু খৰতকীয়াভাৱে আগবঢ়াবলৈ ৰাজ্যিক মন্ত্ৰীসভাই চি বি আইক দায়িত্ব অৰ্পণ কৰে।

০০০০০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত চলি থকা উচ্ছেদ অভিযান আজি তৃতীয় দিনা শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে আজি পুৱা ৯ বজাৰ পৰা বন বিভাগ আৰু প্ৰশাসনে অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলায়। আজি পাঁচ শতাধিক বাসগৃহ উচ্ছেদ কৰাৰ লগতে বহু সংখ্যক তামোল বাৰীও উচ্ছেদ কৰা হয়। এই অভিযানত ভালেসংখ্যক এক্সকেভেটৰ, বনকৰ্মী আৰু প্ৰশাসনিক বিষয়া নিয়োগ কৰা হৈছে । গোলাঘাটৰ জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, আৰক্ষী বিষয়া, কাৰ্যবাহী দণ্ডাধীশকে ধৰি অন্যান্য উচ্চপদস্থ বিষয়া আৰু চি আৰ পি এফৰ সহযোগিতাত এই উচ্ছেদ অভিযান চলোৱা হৈছে। উচ্ছেদ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ অঞ্চলটোত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ইপিনে ৰাজ্যত বৰ্তমানলৈকে এক লাখ ৩৯ হাজাৰ বিঘা মাটিৰ পৰা দখলকাৰীক উচ্ছেদ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত প্ৰকাশ কৰিছে। ইয়াৰে উৰিয়ামঘাটৰ পৰা ১০ হাজাৰ বিঘা মাটি মুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

বাইট (চি এম)

oooooooo

ৰাজ্যত অব্যাহত থকা অসহ্য গৰমৰ বাবে গ্ৰীষ্ম বন্ধৰ পাছত কাইলৈৰ পৰা হ'বলগীয়া বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি কাইলৈৰ পৰা কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিৱৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে জাৰি কৰা এটা নিৰ্দেশনা অনুযায়ী নগাঁও জিলাতো বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পৰিৱৰ্তন কৰা হৈছে। পুৱা চাৰে ৭ বজাত পাঠদানৰ সূচী আৰম্ভ

কৰি প্ৰাথমিক বিদ্যালয় চাৰে ১১ বজাত, মাধ্যমিক ১২ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত চাৰে ১২ বজাত পাঠদান কাৰ্যসূচীৰ সামৰণি পৰিব বুলি শ্ৰীনাথে জানিবলৈ দিছে।

০০০০০০০০

কোকৰাঝাৰ বিটিচি বিধায়িনী ভৱনত আজি বিটিচি বিধায়িনী সভাৰ এদিনীয়া বিশেষ অধিৱেশন অনুষ্ঠিত হয়। কাটিৰাম বড়োৰ অধ্যক্ষতাত অনুষ্ঠিত এই অধিৱেশনত বিপিএফৰ পাৰিষদসকলে বিটিচিৰ ভূমি আৰু ৰাজহ নিয়ামক বিধেয়ক ২০২৫ সন্দৰ্ভত আলোচনা বিচাৰি সদন ত্যাগ কৰে। দলটোৱে এই বিধেয়কখন গৃহীত হোৱাৰ পূৰ্বে আলোচনা হোৱা উচিত আছিল বুলি প্ৰকাশ কৰে। আজিৰ অধিৱেশনতে বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে খৰাংপীড়িত সকাহ আঁচনি, বড়োলেণ্ড হেপিনেছ মিছনকে ধৰি কেইবাটাও কল্যাণমূলক আঁচনি ঘোষণা কৰে। অধিৱেশনত আজি শিক্ষা, ক্ৰীড়া, ভূমি আৰু কৃষি বিভাগৰ কেইবাটাও প্ৰশ্ন উত্থাপন কৰা হয়।

০০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ মোনা বিলত আজি ছটা বনৰীয়া ম'হৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মোনা বনশিবিৰৰ বনকৰ্মীয়ে নিয়মীয়া তহলৰ সময়ত মৃত ম'হকেইটা প্ৰত্যক্ষ কৰি বনবিভাগৰ উচ্চ পদস্থ বিষয়া আৰু পশু চিকিৎসকৰ দলক অৱগত কৰে। বিলৰ মাজত একেলগে পৰি থকা দুটা মতা আৰু চাৰিজনী মাইকী ম'হৰ মৃত্যুৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰিছে।  পশু চিকিৎসকে মৰণোত্তৰ পৰীক্ষাৰ পাছত বজ্ৰ পৰি ম'হকেইটাৰ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে।

০০০০০০০০

কাছাৰ জিলাৰ বিশেষ আদালতে আজি নাৰ্কটিক ড্ৰাগছ এণ্ড চাইকোট্ৰপিক ছাবষ্টেন্স ১৯৮৫ - এন ডি পি এছ আইনৰ অধীনত এটা গুৰুত্বপূৰ্ণ ৰায়দান কৰি এজন মাদক দ্ৰব্য সৰবৰাহকাৰীক ১০ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰে। ৰায়দানত বিশেষ ন্যায়াধীশ বিপ্ৰজিত্ ৰায়ে ব্যক্তিজনক ১ লাখ টকাৰ জৰিমনাও বিহে। জৰিমনা অনাদায়ে দোষীয়ে অতিৰিক্ত ৩ মাহৰ কাৰাবাস খাটিব লাগিব বুলি বিপ্ৰজিত ৰায়ৰ আদালতে আজি ৰায়দানত ঘোষণা কৰে। আবুল হুছেইন নামৰ মাদক দ্ৰব্য সৰবৰাহকাৰীজন কাছাৰ জিলাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত ফুলেৰতল হিলপুঞ্জীৰ বাসিন্দা। উল্লেখযোগ্য যে প্ৰায় ৭ বছৰ আগতে ২০১৮ চনৰ আগষ্টত এই গোচৰটো আৰম্ভ হৈছিল। ৰাজহ চোৰাংচোৱা দপ্তৰে দোষী আবুল হুছেইনৰ ঘৰৰ পৰা বিপুল পৰিমাণৰ নিচাযুক্ত  দ্ৰব্য জব্দ কৰিছিল। দীৰ্ঘদিনীয়া তদন্তৰ অন্তত এন ডি পি এছৰ ২২-চি ধাৰাত আজি আবুল হুছেইনক দোষী সাব্যস্ত কৰা হয়।

০০০০০০০০

কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত ছেছন ন্যায়াধীশ এছ কে কাব্রাৰ আদালতে আজি পত্নী হত্যাৰ গোচৰত সেনাবাহিনীৰ মেজৰ গৌৰৱ কুমাৰ সিঙক যাৱজ্জীৱন কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমনা বিহে। ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত দোষা সাব্যস্ত কৰি মেজৰ সিঙক শাস্তি প্ৰদান কৰে। ২০১৩ চনৰ মে মাহত মেজৰ সিঙে পত্নী প্ৰিয়া সিঙক হত্যা কৰি মৃতদেহটো যোৰাবাটৰ ওচৰৰ খাৰৈত পেলাই দিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰত দীৰ্ঘদিনীয়া শুনানি গ্ৰহণ কৰি আজি আদালতে তেওঁক যাৱজ্জীৱন  কাৰাদণ্ডৰ শাস্তি ঘোষণা কৰে।

০০০০০০০০

কাৰ্বি আংলং আৰক্ষীয়ে ডিল্লাইত অভিযান চলাই যোৱা নিশা প্ৰায় ২ কিলোগ্ৰাম মৰ্ফিন জব্দ কৰে। মাদক দ্ৰব্যখিনিৰ বজাৰ মূল্য ১ কোটি টকাৰো অধিক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুজন লোকক আটক কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰীৰ যক্ষ্মামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আজি চাবুৱাৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ৬০গৰাকী যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্যৰ টোপোলা প্ৰদান কৰা হয়। জিলা খনিজ ন্যাস নিধি - ডি এম এফ টিৰ তৰফৰ পৰা যোগান ধৰা এই খাদ্যৰ টোপোলাসমূহ চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই বিতৰণ কৰে। আদৰ্শ চিকিৎসালয়খনৰ সভাকক্ষত অনুষ্ঠিত বিতৰণ সভাত জিলা যক্ষ্মা বিষয়া ডাঃ ৰবি বৰুৱাই যক্ষ্ম ৰোগ সন্দৰ্ভত এটা সজাগতামূলক কাৰ্যসূচীৰ পৰিচালনা কৰে। সভাত পানীতোলা, চাবুৱা আৰু লাহোৱাল যক্ষ্মা চিকিৎসা খণ্ডৰ বিষয়া আৰু স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

০০০০০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ সমাগত সাধাৰণ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। আজি ওদালগুৰি জিলাৰ ভেৰগাঁও মণ্ডলত আয়োজিত এখন দলীয় সাংগঠনিক  সভাত ৰাজ্যিক বিজেপিৰ নেতা আৰু বিধানসভাৰ অধ্যক্ষ বিশ্বজিত্ দৈমাৰীৰ লগতে মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। সভাত ভেৰগাঁও অঞ্চলৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ ত্বৰান্বিতকৰণ আৰু জনসাধাৰণৰ সহযোগিতাৰে আগবঢ়াব পৰা কাৰ্যপদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই নিৰ্বাচনত মূলতঃ বিপিএফ, ইউ পি পি এল আৰু বিজেপিৰ লগতে নৱ শৰণীয়া নেতৃত্বাধীন গণ সুৰক্ষা পাৰ্টিয়েও শক্তিশালী ৰূপত নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। দলটোৱে কালি মিছন সুৰক্ষা ২০২৫ শীৰ্ষক এটা পদযাত্ৰা কাৰ্যসূচীৰে নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰে। বি পি এফৰ সম্ভাব্য মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰী শৰণীয়াই কয় যে এই বিষয়ত এতিয়াও স্পষ্টকৈ কব পৰা হোৱা নাই।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে। বজালী জিলা সমাজকল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বিচানকুচিত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত ডাইনী সন্দৰ্ভত থকা অন্ধবিশ্বাস দূৰ কৰি বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত জিলা সমাজ কল্যাণ বিষয়া জ্যোতি কুমাৰ দাসে গ্ৰামাঞ্চলত এনেধৰণৰ অন্ধবিশ্বাসৰ কুপ্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। জিলা স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰীয়ে কয়, যে ডাইনীৰ আক্ৰমণ বুলি সন্দেহ কৰা বহু লোকৰ ৰোগৰ লক্ষণ প্ৰকৃততে স্বাস্থ্যজনিত কাৰণতে হয় আৰু তেওঁলোকক সময়মতে চিকিৎসা প্ৰদানৰ জৰিয়তেহে আৰোগ্য কৰি পাৰি। এই কাৰ্যসূচীত এনেধৰণৰ কুপ্ৰভাৱৰ পৰা হবপৰা বিপদ আৰু ইয়াৰ আইনী পৰিণতিৰ বিষয়েও জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰা হয়।

oooooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট মেচ আজি অভেলত আৰম্ভ হৈছে। এইখন খেলত ইংলেণ্ডক নেতৃত্ব দিয়া অলি প'পে আজি টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। ভাৰতৰ অপেনাৰদ্বয় য়শস্বী জয়ছৱাল আৰু কে এল ৰাহুলে কম ৰাণতে বিদায় লয়। জয়ছৱালে ২ আৰু ৰাহুলে ১৪ ৰাণ কৰি আউট হয়। বৰষুণৰ বাবে খেলখন বন্ধ ৰাখিবলগীয়া হোৱাত আগতীয়াকৈ ভোজন বিৰতি ঘোষণা কৰা হয়। সেই সময়ত ভাৰতে দুটা উইকেটৰ বিনিময়ত ৭২ ৰাণ সংগ্ৰহ কৰে। সাই সুৰ্দশনে ২৫ আৰু শুভমন গিলে ১৫ ৰাণ কৰি বেট ধৰি আছিল। ভোজন বিৰতিৰ পাছত বৰষুণৰ বাবে খেল এতিয়ালৈকে স্থগিত হৈ আছে।

উল্লেখযোগ্য যে এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ঘৰুৱা দলটোৱে ২-১ৰ অগ্ৰগতি লাভ কৰি আছে।

oooooooo

ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশৰ বিভাগৰ অধীনত নগাঁও জিলাৰ সমাজ কল্যাণ বিভাগৰ উদ্যোগত আজি অংগনবাড়ী কৰ্মীসকলৰ সহায় হোৱাকৈ স্মাৰ্ট ফোন বিতৰণ কৰা হয়। নগাঁও চহৰৰ সাংস্কৃতিক প্ৰকল্পত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকে। শ্ৰীশৰ্মাই বিশেষভাৱে সক্ষম লোকসকলক হুইল চেয়াৰ আৰু শ্ৰৱণ যন্ত্ৰ প্ৰদান কৰে। অনুষ্ঠানত নগাঁও জিলা আয়ুক্তৰ লগতে সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooooo

সমাপ্ত